জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮০/২০২০

# কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিখন আঁচনি অগ্ৰাধিকাৰ ভিত্তিত ৰূপায়ন কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালৰ নিৰ্দেশ

**দিছপুৰ, ১২ অক্টোবৰ ঃ** কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ বাবে হাতত লোৱা প্ৰতিখন আঁচনি অসমত অগ্ৰাধিকাৰ ভিত্তিত ৰূপায়নৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্দেশ প্ৰদান কৰে। আজি ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এক বৈঠকত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত ৰূপায়িত হৈ থকা কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ আৰু ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি দুয়োখন জিলাৰ উপায়ুক্ত আৰু আঁচনি ৰূপায়ণৰ দায়িত্বত থকা চৰকাৰী বিভাগসমূহক এই নিৰ্দেশ প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ আজিৰ বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিখন আঁচনিৰ সফল ৰূপায়নৰ বাবে এক নিৰ্দিষ্ট ৰোডমেপ প্ৰস্তুত কৰি সেইমতে আগবাঢ়ি যাবলৈও চৰকাৰী বিভাগসমূহক নিৰ্দেশ প্ৰদান কৰে। আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ অধীনত দুয়োখন জিলাত চলি থকা কামৰ খতিয়ান লয় আৰু এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হোৱা লোকসকলক অতিৰিক্ত তালিকা দাখিলৰ জৰিয়তে সোনকালে সামৰি ল'বলৈ নিৰ্দেশ দিয়ে। এই দিশত প্ৰয়োজনীয় আধাৰ পঞ্জীয়ন প্ৰক্ৰিয়া ক্ষীপ্ৰগতিত আগবঢ়াই নিয়াৰ দিশত চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে আজিৰ বৈঠকত উল্লেখ কৰে।

সভাত মুখ্যমন্ত্ৰী সোণোৱালে সমাজ কল্যাণ বিভাগৰ পৰিপূৰক পুষ্টি কাৰ্যসূচী, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ লগতে পোষণ মাহৰ উদ্যাপনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা গৰ্ভৱতী মাতৃ আৰু নৱজাতকৰ সবল স্বাস্থ্যৰ দিশটোত যাতে অলপো ত্ৰুটি নাথাকে, তাৰ ওপৰত সদায় চোকা দৃষ্টি ৰাখিবলৈ তথা পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ জৰিয়তে যাতে মাতৃ আৰু শিশুক প্ৰদান কৰা খাদ্যৰ গুণগত মান আৰু পৰিমাণত কোনো ধৰণৰ খেলিমেলি নহয়, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ সমাজ কল্যাণ বিভাগক নিৰ্দেশ দিয়ে। একেদৰে তেওঁ দিব্যাংগসকলৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৰূপায়ন কৰা আঁচনিৰ পৰা যাতে যোগ্য হিতাধিকাৰী সকল বঞ্চিত নহয়, তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিবলৈ বিভাগটোক নিৰ্দেশ দিয়ে। দিব্যাংগসকলে চৰকাৰী আঁচনিৰ সুবিধা লাভত সহায় হোৱাকৈ তেওঁলোকৰ যাৱতীয় স্বাস্থ্য পৰীক্ষাৰ জৰিয়তে স্বাস্থ্য বিভাগৰ দ্বাৰা প্ৰমাণিত কৰাৰ বাবে এক অভিযান আৰম্ভ কৰিবলৈও বৈঠকত তেওঁ নিৰ্দেশ প্ৰদান কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে গাঁও পঞ্চায়ত পৰ্যায়ত চলি থকা কামৰো পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰী সোণোৱালে দুয়োখন জিলাৰ উপায়ুক্তক চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে গাঁও পঞ্চায়ত পৰ্যায়ত হাতত লোৱা আঁচনিসমূহৰ মাহিলী পৰ্যালোচনা,গাঁওসভাত অনুমোদিত প্ৰতিখন আঁচনিৰ

প্ৰাসংগিকতা পৰীক্ষা কৰা আৰু আঁচনিৰ বিপৰীতে অনুমোদিত ধনৰ সদব্যৱহাৰ হৈছেনে নাই , তাৰ ওপৰত চোকা নজৰ ৰাখিবলৈও নিৰ্দেশ প্ৰদান কৰে। পৰ্যালোচনা বৈঠকত তেওঁ অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, জনস্বাস্থ্য কাৰিকৰী, কৃষি আদি বিভাগৰ অধীনত চলি থকা আঁচনিৰ অগ্ৰগতিৰো বুজ লয়। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে প্ৰতিজন চৰকাৰী বিষয়াক তেওঁলোকৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহৰ দ্বাৰা ৰাইজ প্ৰকৃততে লাভান্বিত হৈছেনে নাই , সেই সন্দৰ্ভত ৰাইজৰ মতামত গ্ৰহণ কৰিবলৈ আৰু প্ৰত্যেকজন চৰকাৰী বিষয়া-কৰ্মচাৰীক সততা আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। বৈঠকত মুখ্যমন্ত্ৰীয়ে সকলো বিষয়া- কৰ্মচাৰীসকলক দুৰ্নীতিত লিপ্ত হোৱাৰ পৰা বিৰত থাকিবলৈও আহ্বান জনায়।

বৈঠকত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্য চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, বিনোদ হাজৰিকা, তেৰছ গোৱালা, নৰেন সোণোৱাল, চক্ৰধৰ গগৈ, ডিব্ৰুগড় জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত পাৰ্থ প্ৰতীম বৈৰাগী, আৰক্ষী অধীক্ষক প্ৰতীক থুবে, তিনিচুকীয়া জিলাৰ উপায়ুক্ত দিগন্ত শইকীয়া, আৰক্ষী অধীক্ষক শিলাদিত্য চেতিয়া আৰু দুয়োখন জিলাৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিত থাকে।

**সুঃমিঃকঃ / বঃভাঃ**
**১২/১০/২০২০**